তাৰিখ : ১৪/১১/২০১৭

# অসম জাতীয় বিদ্যালয়

## নুনমাটি, গুৱাহাটী ৭৮১০২০

---

## অসম জাতীয় বিদ্যালয়ত শিশু দিৱস উদ্‌যাপন

নুনমাটি, গুৱাহাটী ১৪ নৱেম্বৰ : 'পণ্ডিত জৱাহৰলাল নেহৰু'ৰ ওপজা দিনৰ লগত সংগতি ৰাখি নুনমাটিত অৱস্থিত অসম জাতীয় বিদ্যালয়ত ১৪ নৱেম্বৰ তাৰিখে 'শিশু দিৱস' উদ্‌যাপন কৰা হয়। এই বিশেষ দিনটোতে তৃতীয় শ্ৰেণীৰ পৰা নৱম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ দ্বাৰা লিখিত আৰু সম্পাদিত হাতেলিখা আলোচনীৰ লগতে দ্বিতীয়ৰ পৰা চতুৰ্থ শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত 'শিল্পকলা' বিষয়ৰ এখনি প্ৰদৰ্শনীও অনুষ্ঠিত কৰা হয়। এই প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰে বিশিষ্ট শিশু সাহিত্যিক গগন চন্দ্ৰ অধিকাৰীয়ে। শ্ৰীযুত অধিকাৰীয়ে শিশু প্ৰিয় জৱাহৰলাল নেহৰুৰ নামৰ তাৎপৰ্য প্ৰকাশ কৰাৰ উপৰিও ব্যক্তিজনাৰ বিভিন্ন উদাহৰণ দাঙি ধৰি শিশুসকলক অনুপ্ৰাণিত কৰে। আনহাতে তেওঁ হাতেলিখা আলোচনীৰ লগত জড়িত শিক্ষাৰ্থীসকলক প্ৰশংসা কৰি তেওঁলোকক উৎসাহিত কৰে আৰু সকলোৰে উজ্জ্বল ভৱিষ্যত কামনা কৰে। তদুপৰি পুৱা ৯ বজাৰ পৰা অংকুৰ, প্ৰাক্-প্ৰাথমিক আৰু প্ৰথম শ্ৰেণীৰ শিশুসকলৰ মাজত 'ভেশচন' প্ৰতিযোগিতা, দ্বিতীয়ৰ পৰা পঞ্চম শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত 'ছবি আঁকা' আৰু 'আকস্মিক বক্তৃতা' প্ৰতিযোগিতা, ষষ্ঠৰ পৰা নৱম শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত বিভিন্ন বিষয়ক 'সাহিত্য প্ৰতিযোগিতা' অনুষ্ঠিত কৰা হয়। আজিৰ এই অনুষ্ঠানটিৰ আহ্বায়কৰ দায়িত্বত থাকে শিক্ষয়িত্ৰী নিজৰা গোহাঁই।



(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়